**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাছত ৰাজ্য চৰকাৰে নিৰ্মাণ কৰিবলগীয়া কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আজি আনুষ্ঠানিক আধাৰশিলা স্থাপন।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ ৬৩২ কোটি টকা ব্যয়সাপেক্ষ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু সতী ৰাধিকা উদ্যান উদ্বোধন।

৩। ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কাইলৈ গুৱাহাটীত হ'বলগীয়া অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অংশগ্ৰহণ।

৪। নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা প্ৰায় চাৰে ৫ হাজাৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা। *আৰু*

৫। ব্ৰীচবেনত আজি ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ চলিত টী-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল।

০০০০০০

ৰাজ্যত কাৰিকৰী শিক্ষাৰ দিশত যুগান্তকাৰী পদক্ষেপ হিচাপে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২ টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকিব।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি সন্ধিয়া উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অব্ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৬৩২ কোটি টকা ব্যয়সাপেক্ষে এই প্ৰকল্প দুটা নিৰ্মাণ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ সুৰক্ষা, বহনক্ষমতা আৰু সুচল যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি অভ্যন্তৰীণ জল পৰিবহণ উন্নয়ন প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা গে'টৱে অব্ গুৱাহাটী হৈছে সকলো বতৰতে কাৰ্যক্ষম উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ভাসমান টাৰ্মিনেল। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে এই প্ৰকল্পই জলপৰিবহণৰ দিশত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিব। ব্ৰহ্মপুত্ৰ পাৰৰ সৌন্দৰ্য বৰ্ধনৰ উপৰি মহানগৰবাসীৰ সুবিধা হোৱাকৈ এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ব্ৰহ্মপুত্ৰৰ পাৰৰ সৌন্দৰ্যবৰ্ধন কাৰ্য নীলাচল পাহাৰ পৰ্যন্ত সম্প্ৰসাৰণ কৰা হ'ব।

**ৰাইট (চি এম)**

অহা জানুৱাৰীত গুৱাহাটী আৰু উত্তৰ-গুৱাহাটী সংযোগী দলং মুকলি কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই দলঙে গুৱাহাটীৰ সৌন্দৰ্য বৰ্ধনৰ লগতে যাতায়াত ব্যৱস্থালৈ নতুন পৰিৱৰ্তন আনিব। এই প্ৰকল্পসমূহে গুৱাহাটীক কেৱল উত্তৰ-পূব ভাৰতৰে নহয়, বৰং দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তুলিব বুলিও তেওঁ মন্তব্য কৰে। ডং শৰ্মাই বিগত চাৰি বছৰত বিত্ত মন্ত্ৰীগৰাকীৰ সহায়ত অসমে কেন্দ্ৰৰ পৰা প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্প লাভ কৰাৰ কথাও উল্লেখ কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰ প্ৰথম দিনা শ্ৰীমতী সীতাৰমণে কালি আবেলি জাগীৰোডৰ চেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰকল্পটোৰ কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সামগ্ৰিক দৃশ্যপট সলনি কৰিবলৈ অগ্ৰসৰ হোৱা জাগীৰোডৰ এই প্ৰকল্প পৰিদৰ্শন কৰি তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। উদ্যোগিক ক্ষেত্ৰক নতুন ৰূপ দানেৰে সমগ্ৰ অঞ্চলটোত নিয়োগৰ সুযোগ সৃষ্টি কৰিব পৰা এই প্ৰকল্পটো অসমত স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী সীতাৰমনে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা উদ্যোগী, জ্যেষ্ঠ উদ্যোগপতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও গঠনমূলক আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে কালি নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত খালী হৈ থকা ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। উচ্চ প্ৰাথমিক শিক্ষক পদত এহেজাৰ ২৯৯ গৰাকী আৰু নিম্ন প্ৰাথমিক শিক্ষক পদত দুহেজাৰ ৯৮০ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। বিভিন্ন কাৰণত প্ৰায় ২ বছৰ এই শিক্ষক নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ আছিল যদিও চলিত বৰ্ষৰ মাৰ্চৰ পৰা পুনৰ অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ বাছনি প্ৰক্ৰিয়া আৰম্ভ হয়। উত্তীৰ্ণ প্ৰাৰ্থীসকলক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ইপিনে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবেও ইতিমধ্যে চূড়ান্ত বাছনি প্ৰক্ৰিয়া সম্পন্ন হৈছে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

০০০০০০

বিশিষ্ট লেখক তথা আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত বিষয়া তপন দত্তলৈ এই বছৰৰ অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। **লিজেণ্ড অফ লাচিত বৰফুকন** নামৰ মূল ইংৰাজী গ্ৰন্থখনৰ অসমীয়া অনুবাদৰ বাবে তেওঁক এই বঁটাৰ বাবে বাচনি কৰা হৈছিল। এই বঁটাত আছে এটা স্মাৰক, প্ৰশস্তি পত্ৰ আৰু ২৫ হাজাৰ টকা। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আগত লেখক-অনুবাদক তপন দত্তই এইদৰে অনুভৱ ব্যক্ত কৰে।

***(ৰাইট ঃ তপন দত্ত)***

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদ কৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওঁলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি।

বাইট

আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত আকাশবাণীৰ ষ্টুডিঅ'ত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি ব্ৰীছবেনৰ গাববাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে কুইন্সলেণ্ডত অনুষ্ঠিত চতুৰ্থখন খেলত অষ্ট্ৰেলিয়াক ৪৮ ৰানত পৰাস্ত কৰি শৃংখলাটোত ২-১ৰ অগ্ৰগতি লাভ কৰি আছে। সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বত ভাৰতীয় দলটোৱে শৃংখলাটো দখলৰ বাবে আজি আপ্ৰাণ চেষ্টা চলাব। ইপিনে ভাৰতৰ বেগী বলাৰ জছপ্ৰীত বুমৰাক ইতিহাস ৰচনাৰ বাবে মাত্ৰ এটা উইকেটৰ প্ৰয়োজন। আজিৰ খেলখনত এটা উইকেট লাভ কৰিলে বুমৰাই টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ১০০টা উইকেট লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় হিচাপে পৰিগণিত হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন বাতৰিক শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি গুৱাহাটীত ৬৩২ কোটি টকা ব্যয়সাপেক্ষ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু এখন উদ্যান উদ্বোধনৰ বাতৰিটো দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে বিগত দুটা দশকত অসমৰ অৰ্থনৈতিক বিকাশৰ হাৰ সোণালী আখৰেৰে লিখা হৈছে বুলি বাতৰি প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** আৰু **দৈনিক জনমভূমি** কাকতে ৰাষ্ট্ৰীয় গান 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তীৰ নতুন দিল্লীত আয়োজিত কাৰ্যসূচীত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিটো **দা টাইম্‌ছ অব্‌ ইণ্ডিয়া** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। **আমাৰ অসম** কাকতে লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ বাবে অসম চৰকাৰৰ সৈতে সংস্থাটোৰ চুক্তি স্বাক্ষৰিত হ'বলগীয়াৰ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে মহিলাৰ টী-২০ বিশ্বচেম্পিয়ন দলৰ সদস্যা উমা চেত্ৰীৰ অসম আগমনৰ সময়ত বি চি চি আই আৰু অসম ক্ৰিকেট সংস্থাই নিৰৱতা অৱলম্বন কৰিলে বুলি আন এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অসম** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰাত তিনিহাজাৰ ২৫০ মেগাৱাট শক্তিসম্পন্ন বিদ্যুৎ প্ৰকল্পৰ ভূমি আৱণ্টন আৰু আদানী গোষ্ঠীৰ পৰা উচ্চ হাৰত অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগৰ চুক্তি সম্পাদিত হোৱা সন্দৰ্ভত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কালি সংবাদমেলত উত্থাপন কৰা তথ্যৰ উদ্ধৃতি দি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** আৰু **নিয়মীয়া বাৰ্তা** কাকতে বৰেণ্য নাগাৰা নামৰ শিল্পী ৰামচৰণ ভড়ালীৰ দেহাৱসানৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত বক্স বাতৰিৰূপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পই অসমক সলনি কৰিব বুলি কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত স্থান দিে

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত